# মাজুলী আৰু টুনী নৈ

মাজুলী— মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকুত প্ৰায় ৩৬০ বছৰীয়া পুৰণি ভূমিখণ্ডৰে গঠিত পৃথিৱীৰ বৃহত্তম নদীদ্বীপ যত ডেৰ লক্ষতকৈও অধিক লোক বাস কৰে। সৃষ্টিৰ আদিৰে পৰা নদ-নদীসমূহ প্ৰকৃতিৰ বুকুত নিৰবিচ্ছিন্নভাৱে প্ৰবাহিত হৈ আছে। তাৰ প্ৰতিখন নদীৰ দুয়োপাৰে গঢ়ি উঠে সভ্যতা। মানুহে প্ৰথমে নদীৰ পাৰতেই বাস কৰি সভ্যতাক আগুৱাই লৈ যায়। ঠিক সেইদৰে অসমৰ ব্ৰহ্মপুত্ৰ নদীৰ পাৰতো সভ্যতা গঢ়ি উঠিছিল। ব্ৰহ্মপুত্ৰৰ মাজত মাজুলী এক অতি গুৰুত্বপূৰ্ণ প্ৰকৃতিয়ে সৃষ্টি কৰা ভূমিখণ্ড। নদীয়েই মাজুলীৰ জীৱন, জীৱিকা ইত্যাদি। এই মাজুলীৰ সোমাজেৰে বৈ যোৱা একমাত্ৰ নদী হৈছে টুনী নৈ।

টুনী নৈ হৈছে এখন সৰু, ঠেক, শাখা নদী। টুনী নদীৰ নামৰ উৎপত্তিক লৈ বহুতো জনশ্ৰুতি পোৱা যায় যদিও কিমান দূৰ সত্য জানিব পৰা নাযায়। প্ৰধানকৈ লিখিত তথ্য অনুসৰি অসমৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ উপনৈ দিচাং পাটকাই পৰ্বতৰ পৰা ওলাই শিৱসাগৰ জিলাৰ জান, জুৰি, বিল আদি বিভিন্ন অঞ্চল, গাওঁ-ভূঁইৰ মাজেৰে বৈ আহি দিচাং মুখত ব্ৰহ্মপুত্ৰত মিলিত হয়। এই দিচাংৰ মৰিসুঁতিয়ে উত্তৰ-পশ্চিমে কিছু ভটিয়াই মাজুলীৰ মায়েঙীয়া গাঁৱৰ ওচৰত শুকানসুঁতি

নাম লয়। সেইদৰে অসমৰ উপৰি দিখৌ নাগালেণ্ডৰ পৰা ওলাই অবিভক্ত শিৱসাগৰ জিলাৰ বিভিন্ন ঠাইৰ উপৰি, জান, খাল, বিল আদিৰে দিখৌমুখত ব্ৰহ্মপুত্ৰত মিলিত হয়। এই দিখৌমুখৰ পোনে পোনে উত্তৰ-পশ্চিমে মাজুলীৰ মোৰামাৰী গাঁৱৰ ওচৰত টীঘলীয়া সুঁতি দেখা যায়। এই দুই সুঁতি প্ৰায় দুটা ভাগত বিভক্ত হৈ প্ৰথমে শুকান সুঁতিয়ে মৰিসুঁতি জান, ভকতিদুৱাৰ, ভকতি বিল, আলুক, হাতীমূৰীয়া বিল আদি অঞ্চলৰ মাজেৰে বৈ আহি শুকানসুঁতি মিচিংগাওঁ, শুকান সুঁতি বনিয়া গাওঁ হৈ পটিয়ৰী গাঁৱৰ পিছফাল পায়। আনহাতে টীঘলী সুঁতিয়ে ৰতনপুৰ, বাঁহগড়, নিকিনি-খোৱা, চাপৰি গাঁও খোটাই, নাহৰনী, গৰৈমাৰী পোৰাবিল হৈ মেৰাগড়ৰ পৰা ভটিয়াই বনগাঁৱৰ ওচৰত টীঘলী চুবুৰি, খোৰাচোৰা, মুদৈগাওঁ, টুনীবিল পাৰ হৈ পটিয়ৰী গাঁৱৰ পিছফালে শুকানসুঁতিৰ সৈতে লগ লাগি দুসুঁতিমুখ নাম লয়। এই দুয়োটা সুঁতি সংযোগ ঘটি টুনী নৈৰ সৃষ্টি হয়। এইখন নদীৰ দৈৰ্ঘ্য প্ৰায় ৩৪ কি:মি:।

মানুহ আৰু নদীৰ সম্পৰ্ক বহু পুৰণি। সেইদৰে টুনী নৈ আৰু মাজুলীবাসী সম্পৰ্কও বহুপুৰণি। সেইয়া লাগিলে জীৱিকা হওঁক, খেতি হওঁক বা মৎস্যপালন হওঁক। অৰ্থাৎ নদীয়ে ভূমি উৰ্বৰা কৰে আৰু এই উৰ্বৰতাই মানুহৰ জীৱন গঢ় তোলে। যাৰ ফলত জনসাধাৰণৰ জীৱিকাৰ পথ মুকলি হৈছে। সেইকাৰণে

এই নৈখনক আমি ব্যৱহাৰৰ উপযোগী কৰি ৰখাটো বহুত প্ৰয়োজন। এটা সময়ত মাজুলীৰ যাতায়াত ব্যৱস্থা যেতিয়া সুচল নাছিল তেতিয়া এই টুনী নৈৰে মানুহে যাতায়াত কৰিছিল। টুনী নৈৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে মাধৱদেৱৰ সৈতে নিজৰ বংশ পৰিয়ালক চাবৰ বাবে নৌকাৰে উজনিলৈ আহিছিল। এই নদীৰ পাৰতে দুজনা গুৰুৰ প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্মৰ আধ্যাত্মিক মানৱীয় দৰ্শন, সত্ৰীয়া-সংস্কৃতিৰ চৰ্চা আৰু প্ৰচাৰৰ বাবে সাধনাত ব্ৰতী থকা মহান উজনীয়া বাপুঘৰ শ্ৰী শ্ৰী বদলা পদ্ম আতাৰ দেহাৱসান হৈছিল। এইদৰে এই নদীখনে বহুতো ইতিহাস বহন কৰি আছে আৰু এই ইতিহাস জীয়াই ৰাখিবৰ বাবে টুনী নৈ সংৰক্ষণ কৰি ৰাখিব লাগিব। টুনী নৈৰ পাৰতে বহুতো সভ্যতা গঢ়ি উঠিছে। অসম প্ৰসিদ্ধ বৈষ্ণৱসকলো সত্ৰানুষ্ঠানে যুগ যুগ ধৰি এই টুনী নৈৰ পাৰতে ইতিহাসত ধ্বজাবাহক হিচাপে চিহ্নিত হৈ আছে। সেইবাবে টুনী নৈ সংৰক্ষণ কৰাটো অতি প্ৰয়োজন।

মাজুলীৰ উপনৈসমূহ টুনীনৈক গা কৰিয়ে হৈছিল। এই নদীৰ পাৰতো বহুতো গাওঁ, সত্ৰ, জীৱিকা গঢ়ি উঠিছে। টুনী নদীৰ চিনাকীৰে যাতে সত্ৰসমূহ আৰু গাওঁসমূহ চিৰ যুগমীয়া হৈ থাকে তাৰ বাবে আমি সকলো জনসাধাৰণ

সচেতন হব লাগিব। আমি প্ৰায় শুনাপাওঁ যে টুনীনৈখন

ডুবিলৈ ৰূপান্তৰ হৈছে। যিহেতু নৈখন জীৱন জীৱিকাৰ

লগতো জড়িত সেইবাবে যদি আবহমান কাললৈ এইনৈখন

প্ৰবাহিত হব লাগে তেন্তে যত কাম হৈছে তাত পৰিকল্পিত

ভাৱে খনাৰ ব্যৱস্থা কৰিব লাগিব, যাতে এই নদীখনে

সদায় স্মৃতি বহন কৰি বৈ থাকে।

নাম - শ্ৰী মতী সীমা তালুকদাৰ

বয়স - ১৮ (18)

গড়মূৰ, মাজুলী